# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI

0000000000

**Date :09-**12-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত কাইলৈ কেন্দ্ৰীয়ভাৱে ছহিদ দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। পশ্চিম বৰাগাঁৱত নিৰ্মিত ছহিদ স্মাৰক ক্ষেত্ৰ মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আনুষ্ঠানিকভাৱে মুকলি কৰিব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ঐতিহাসিক অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি সন্মান জনাই তেওঁলোকৰ স্মৃতি সংৰক্ষণৰ লক্ষ্যৰে বৰাগাঁৱত এই ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰা হৈছে। এই ক্ষেত্ৰত প্ৰেক্ষাগৃহ, প্ৰাৰ্থনা গৃহ, চাইকেল ট্ৰেক আদিৰ উপৰি অসম আন্দোলন তথা ৰাজ্যখনৰ বুৰঞ্জীৰ বিভিন্ন ঘটনা প্ৰবাহক সামৰি শব্দ আৰু পোহৰৰ বিশেষ প্ৰদৰ্শনীৰো ব্যৱস্থা থাকিব।

ৰাজ্যৰ বিভিন্ন জিলাত ছহিদ দিৱস পালনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ছহিদৰ প্ৰতি শ্ৰদ্ধা জনাই সুধাকণ্ঠৰ **ছহিদ প্ৰণামো তোমাক** শীৰ্ষক গীতটি বিভিন্ন স্থানত সমূহীয়াকৈ পৰিৱেশন কৰা হ'ব। ইয়াৰ উপৰি জিলা আৰু সম জিলাৰ সদৰসমূহতো কাইলৈ বিস্তৃত কাৰ্যসূচীৰে ছহিদ দিৱসৰ আয়োজন কৰা হৈছে।

ooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি নৰৱেৰ ৰাষ্ট্ৰদূত মে-ইলিন ষ্টেনাৰৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত তেওঁলোকে অসমৰ চাহ, ৰাজ্যিক দক্ষতা বিশ্ববিদ্যালয় আৰু দক্ষতা ভিত্তিক শিক্ষাৰ বিষয়ে আলোচনা কৰে। ০

ooooooo

নতুন দিল্লীত আজি আয়োজিত এটা অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰীয় হস্তশিল্প বঁটাসমূহ প্ৰদান কৰে। হস্তকলাৰ বিভিন্ন দিশত দেখুওৱা পাৰদৰ্শিতাৰ বাবে এই বঁটা দেশৰ বিভিন্ন ৰাজ্যৰ শিল্পীসকলক প্ৰদান কৰা হয়। অনুষ্ঠানত অংশ লৈ ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ভাৰতীয় হস্তশিল্প অত্যন্ত চহকী বুলি মত প্ৰকাশ কৰাৰ লগতে এই শিল্পসমূহে ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্যক প্ৰতিফলিত কৰে বুলি উল্লেখ কৰে।

**ৰাইট**

অনুষ্ঠানত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰা বাছনি লাভ কৰা হস্তশিল্পীসকলকো পুৰস্কৃত কৰা হয়।

ooooooo

ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান- আই আই এম চিয়ে কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সহযোগত কাইলৈ আৰু পৰহিলৈ দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত আঞ্চলিক সামূহিক অনাতাঁৰ কেন্দ্ৰ সন্মিলনৰ আয়োজন কৰিছে। ভাৰতত সামুহিক অনাতাঁৰ সেৱাৰ ২০ বছৰ পূৰ্তি উদযাপন বিষয়বস্তুৰে আয়োজিত এই সন্মিলনৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চলৰ সামূহিক অনাতাঁৰ কেন্দ্ৰৰ সৈতে জড়িত ব্যক্তি, প্ৰতিষ্ঠান, গণ মাধ্যমৰ

শিক্ষক, চৰকাৰী প্ৰতিনিধি আৰু বিশেষজ্ঞসকলক একেখন মঞ্চত উপবিষ্ট কৰোৱা হ'ব। গুৱাহাটীৰ আজাৰাত কাইলৈ পুৱা ১০ বজাৰ পৰা এই সন্মিলন অনুষ্ঠিত হ'ব।

০০০০০

সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ উদ্যোগত আজি গুৱাহাটীত অনুষ্ঠিত এখন চিন্তন বৈঠকত ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটে বিধানসভাত দাখিল কৰা প্ৰতিবেদনক লৈ আলোচনা কৰা হয়। আলোচনাৰ অন্তত বৈঠকৰ সিদ্ধান্তৰ বিষয়ে সদৰি কৰি সংগঠনটোৰ নেতা বসন্ত গগৈয়ে কয়, যে এই প্ৰতিবেদনত টাই-আহোম জনগোষ্ঠীক অনুসূচীত জনজাতি হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ ফলত জনগোষ্ঠীটো সামাজিক আৰু ৰাজনৈতিক দিশত কিদৰে সুৰক্ষিত হ'ব সেয়া চালি-জাৰি চাবলৈ অসম চৰকাৰৰ প্ৰাক্তন মহাধিবক্তা ৰমেশ বৰপাত্ৰ গোহাঁইক অধ্যক্ষ হিচাপে এখন ২১ জনীয়া উচ্চস্তৰীয় সমিতি গঠন কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

ওদালগুৰি জিলাৰ টংলাৰ সমীপৰ দাৰোগাখাট গাঁৰৰ কলবাৰী নিৱাসী আঙেৰী ৰাভাৰ যোৱা নিশা নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ। প্ৰয়াত আঙেৰী বৃহত্তৰ কলবাৰী অঞ্চলৰ বিভিন্ন ধৰ্মীয়, সাংস্কৃতিক অনুষ্ঠানৰ সৈতে জড়িত হৈ আছিল। ০০০

০০০০০০০

কটকৰ বাৰাবতী ষ্টেডিয়ামত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে দক্ষিণ আফ্ৰিকাক জয়ৰ  বাবে ১৭৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই এই বাতৰি যুগুতোৱাৰ পৰলৈকে ৬ অভাৰত ৩ টা উইকেট হেৰুৱাই ৪৫ ৰান সংগ্ৰহ কৰি খেলি আছে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেটৰ বিনিময়ত ১৭৫ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ হাৰ্দিক পাণ্ডিয়াই ২৮ টা বলত সৰ্বাধিক ৫৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। এই শৃংখলাৰ পৰৱৰ্তী খেলখন অহা বৃহস্পতিবাৰে চণ্ডীগড়ৰ মুল্লানপুৰত, তৃতীয়খন খেল ধৰমশালাত, চতুৰ্থখন খেল লক্ষ্ণৌত আৰু আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অন্তিম খেলখন অনুষ্ঠিত হ'ব।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**